**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-06-2026 **Time :** 1100 Hrs.

প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুহেজাৰ ৪০০ কোটি টকাৰ উদগনিমূলক ধনৰাশি মুকলি কৰিব। দেশৰ প্ৰায় ২০০ টা স্থানত আজি এই উপলক্ষে আঞ্চলিক পৰ্যায়ৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কৰ্মচাৰী ভৱিষ্যনিধি সংস্থাই কালি গুৱাহাটীৰ আঞ্চলিক কাৰ্যালয়ৰ উদ্যোগত এখন সংবাদমেলৰ আয়োজন কৰি এই কথা প্ৰকাশ কৰে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহ আৰু আই আই টি গুৱাহাটীৰ মিনি প্ৰেক্ষাগৃহত এই অনুষ্ঠান অনুষ্ঠিত হ'ব। তদুপৰি তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰতো বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ উদগনিমূলক ধনৰাশি প্ৰদান উপলক্ষে অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠান সমূহত নিয়োগকৰ্তা, কৰ্মচাৰী, ঔদ্যোগিক প্ৰতিনিধি তথা অন্যান্য অংশীদাৰসকলে অংশ ল'ব। গুৱাহাটীত আয়োজিত অনুষ্ঠানত শ্ৰমিক কল্যাণ আৰু চাহ জনজাতি তথা আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, হস্ততাঁত বস্ত্ৰ শিল্প আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, সাংসদ বিজুলী কলিতা মেধিকে ধৰি অনান্য ব্যক্তিসকল উপস্থিত থাকে।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাই দেশত ১৫ লাখ নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত সহায় কৰিছে। কৰ্মচাৰী আৰু নিয়োগকৰ্তা দুয়োপক্ষকে আনুষ্ঠানিক অৰ্থ ব্যৱস্থাত অংশগ্ৰহণৰ প্ৰতি উৎসাহিত কৰাৰ বাবে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। ইয়াৰ অধীনত প্ৰথমবাৰৰ বাবে নিযুক্তি লাভ কৰাসকলক ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। তদুপৰি অতিৰিক্ত নিয়োগ সৃষ্টি কৰা নিয়োগকৰ্তাসকলক প্ৰতিমাহে প্ৰতিজন অতিৰিক্ত কৰ্মচাৰীৰ বাবে ৩,০০০ টকাকৈ উদগনিমূলক ধন প্ৰদান কৰা হয়। বিগত বৰ্ষৰ ১ আগষ্টত ৰূপায়ণ কৰা এই আঁচনিৰ জৰিয়তে দুবছৰৰ ভিতৰত দেশত ৩ কোটি ৫০ লাখৰো অধিক নিয়োগ সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বত এন ডি এ চৰকাৰৰ ১২ বছৰীয়া কাৰ্যকালৰ পূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত জনকল্যাণ শিবিৰ অনুষ্ঠিত হৈছে। বাক্সা জিলাৰ আদলবাৰী সমূহীয়া ভৱনত কালিৰেপৰা তিনিদিনীয়াকৈ জনকল্যাণ শিবিৰৰ আয়োজন কৰা হৈছে। চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ সুবিধা যাতে সকলো শ্ৰেণীৰ লোকে লাভ কৰিব পাৰে, এই উদ্দেশ্যেৰে জিলাখনৰ পাঁচটা উন্নয়ন খণ্ডক সামৰি এই শিবিৰ অনুষ্ঠিত হৈছে। কাৰ্যসূচীত অংশ লৈ জিলা আয়ুক্ত কিমনেই ছাংচনে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কল্যাণকামী পদক্ষেপ বিশেষকৈ মহিলাকেন্দ্ৰিক আঁচনি আৰু সামাজিক সুৰক্ষাৰ সৈতে জড়িত কাৰ্যসূচীসমূহত আলোকপাত কৰে। অনুষ্ঠানত বিধায়ক মনেশ্বৰ ব্ৰহ্ম, থানেশ্বৰ বসুমতাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

যোৰহাট জিলাৰ তিতাবৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় সভাকক্ষত আয়োজিত জনকল্যাণ শিবিৰ আজি তিতাবৰৰ বিধায়ক ধীৰাজ গোৱালাই মুকলি কৰে। অনুষ্ঠানত চৰকাৰী আঁচনিসমূহৰ সুবিধা প্ৰান্তীয় অঞ্চলৰ লোকেও লাভ কৰাটো নিশ্চিত কৰা, কল্যাণকামী পদক্ষেপসমূহৰ বিষয়ে সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০০

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ নিৰ্দেশনাত তেজপুৰৰ সশস্ত্ৰ সীমাবল আৰু বিহাৰ আৰক্ষীয়ে চলোৱা যুটীয়া অভিযানত মানৱ সৰবৰাহকাৰীৰ কৱলৰ পৰা ১১৫ জন যুৱক-যুৱতীক উদ্ধাৰ কৰা হৈছে। ইয়াৰ ভিতৰত কেইবাগৰাকীও নাবালিকাকে ধৰি ৪৮ গৰাকী যুৱতী আৰু ৬৭ জন যুৱক আছে। চৰকাৰী চাকৰিৰ ভুৱা প্ৰতিশ্ৰুতিৰে অসমৰ পৰা বিহাৰলৈ নিয়াৰ পৰৱৰ্তী সময়ত এই যুৱক-যুৱতীসকলক বন্দী কৰি ৰখা হৈছিল। মঙলদৈৰ বেজাপাৰাৰ এছ্ এছ্ বিৰ ক্ষেত্ৰীয় কাৰ্যালয়ৰ চোৰাংচোৱা শাখা আৰু মানৱ সৰবৰাহ বিৰোধী গোটৰ মুৰব্বী পৰিদৰ্শক মনোজ কুমাৰ শৰ্মাই এই তথ্য প্ৰকাশ কৰিছে। বিষয়াগৰাকীয়ে সদৰি কৰা অনুসৰি মানৱ সৰবৰাহ চক্ৰটোৱে তামুলপুৰ জিলাৰ অন্তৰ্গত ভাৰত-ভূটান সীমান্ত অঞ্চলত বাস কৰা দৰিদ্ৰ পৰিয়ালৰ যুৱক-যুৱতীক লক্ষ্য কৰি লৈছিল। চক্ৰটোৱে তেওঁলোকক কৃষি বিভাগত চৰকাৰী চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে বিহাৰলৈ লৈ গৈ আৱদ্ধ কৰি ৰাখিছিল।

০০০০০০০

বিগত কিছুদিন ধৰি হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ডিমাহাচাও জিলাৰ উমৰাংছ'ৰ কপিলী জলবিদ্যুৎ প্ৰকল্পৰ খানদং বান্ধৰ জলস্তৰ বৃদ্ধি পোৱাৰ ফলত বান্ধটোৰ তিনিখন গে'ট খুলি দিয়া হৈছে। কালি পুৱা চাৰে সাত বজাৰ পৰা প্ৰায় ১৫৭ কিউমেক পানী মুকলি কৰি দিয়া হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত মৰিগাঁও জনসংযোগ বিষয়াই এখন জনস্বাৰ্থজড়িত জাননী জাৰি কৰিছে। এই অনুসৰি কপিলী আৰু কিলিং নৈৰ পাৰত বাস কৰা ৰাইজক নদীৰ পাৰ আৰু নামনি অঞ্চলৰ পৰা দূৰত থাকিবলৈ কোৱা হৈছে। তদুপৰি নদীত গা ধোৱা, মাছ ধৰা আদিৰ পৰাও বিৰত থাকিবলৈ কোৱা হৈছে। সকলোকে প্ৰশাসনৰ নিৰ্দেশ মানি চলিবলৈ আহ্বান জনোৱা হৈছে।

০০০০০০০

ধেমাজি জিলাৰ নিলখ বালিজানত কালিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ স্মৃতি দিৱস আয়োজন কৰা হৈছে। নিলখ বালিজান জনসেৱক পুঁথিভৰালৰ সৌজন্যত গৌৰৱোজ্জ্বল ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ লগত সংগতি ৰাখি এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। কালি পুৱাৰ ভাগত পতাকা উত্তোলন, স্মৃতি তৰ্পনৰ পাছতেই বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰতিফলিত কৰি সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা আবৃত্তি, ৰাভা সংগীত, কুইজ, আলোচনাচক্ৰ, একাংক নাট প্ৰতিযোগিতা আদি অনুষ্ঠিত হ'ব।

০০০০০০০০

**সমাপ্ত**